**08-12-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

মৰমৰ সন্তানসকল – **“**যেতিয়ালৈকে জীয়াই থাকিবা পিতাক স্মৰণ কৰিব লাগে**,** স্মৃতিৰেহে আয়ুস বাঢ়িব**,** পঢ়াৰ সাৰমৰ্মই হ'ল স্মৃতি**”**

প্ৰশ্ন: তোমালোক সন্তানসকলৰ অতীন্দ্ৰিয় সুখৰ গায়ন আছে, কিয়?

উত্তৰ: কিয়নো তোমালোক সদায়েই বাবাৰ স্মৃতিত আনন্দোৎসৱ কৰা, এতিয়া তোমালোকৰ সদায়েই বৰদিন। তোমালোকক ভগৱানে পঢ়ায়, ইয়াতকৈ বেছি আনন্দ আৰু কি হ'ব, এয়া প্ৰতিদিনৰ আনন্দ সেয়েহে তোমালোকৰে অতীন্দ্ৰিয় সুখৰ গায়ন কৰা হৈছে।

গীত: নয়নহীন কো ৰাহ দিখাও প্ৰভু.... (নয়নহীনক মাৰ্গ-দৰ্শন কৰা প্ৰভু….)

ওঁম্ শান্তি। জ্ঞানৰ তৃতীয় নেত্ৰ দিওঁতা আত্মিক পিতাই আত্মিক সন্তানসকলক বুজায়। জ্ঞানৰ তৃতীয় নেত্ৰ পিতাৰ বাহিৰে কোনেও দিব নোৱাৰে। সেয়েহে এতিয়া সন্তানসকলে জ্ঞানৰ নেত্ৰ পাইছা। এতিয়া পিতাই বুজাইছে যে ভক্তিমাৰ্গ হয়েই অন্ধকাৰ মাৰ্গ। যেনেকৈ ৰাতি পোহৰ নাথাকে সেইবাবে মনুষ্যই ঠেকা-খুন্দা খায়। গায়নো আছে ব্ৰহ্মাৰ ৰাতি, ব্ৰহ্মাৰ দিন। সত্যযুগত এনেকৈ নক'ব যে মোক মাৰ্গ-দৰ্শন কৰা কিয়নো এতিয়া তোমালোকে মাৰ্গ পাইছা। পিতা আহি মুক্তিধাম আৰু জীৱনমুক্তি ধামৰ মাৰ্গ দেখুৱাই আছে। এতিয়া তোমালোকে পুৰুষাৰ্থ কৰি আছা। এতিয়া জানা যে বাকী অলপ সময় আছে সৃষ্টিতো পৰিৱৰ্তন হ'ব। ইয়াৰ ওপৰত গীতো ৰচি থোৱা আছে - সৃষ্টিৰ পৰিৱৰ্তন হ'ব.... কিন্তু মনুষ্য বেচেৰাসকলে নাজানে যে সৃষ্টি কেতিয়া পৰিৱৰ্তন হ'ব। কেনেকৈ পৰিৱৰ্তন হ'ব, কোনে পৰিৱৰ্তন কৰায় কিয়নো জ্ঞানৰ তৃতীয় নেত্ৰতো নাই। এতিয়া তোমালোক সন্তানসকলে এই তৃতীয় নেত্ৰ পাইছা যাৰ দ্বাৰা তোমালোকে এই সৃষ্টি চক্ৰৰ আদি-মধ্য-অন্তক জানি গৈছা। আৰু এয়াই তোমালোকৰ বুদ্ধিত জ্ঞানৰ চেক্ৰিন। যেনেকৈ চেক্ৰিনৰ অলপ পৰিমাণো বহুত মিঠা তেনেকৈ এই জ্ঞানৰ দুটি শব্দ ‘মনমনাভৱ....’ এইটোৱেই আটাইতকৈ মিঠা বস্তু, কেৱল পিতাক স্মৰণ কৰা।

পিতা আহে আৰু আহি মাৰ্গ দেখুৱায়। ক'ৰ মাৰ্গ দেখুৱায়? শান্তিধাম আৰু সুখধামৰ। সেইবাবে সন্তানসকল আনন্দিত হয়। জগতে নাজানে যে আনন্দ কেতিয়া পালন কৰা হয়? আনন্দতো নতুন সৃষ্টিত পালন কৰা হ'ব নহয়। এইটো একেবাৰে সাধাৰণ কথা যে পুৰণি সৃষ্টিত আনন্দ ক'ৰ পৰা আহিল? পুৰণি সৃষ্টিত মনুষ্যই ত্ৰাহি ত্ৰাহি কৰি আছে কিয়নো তমোপ্ৰধান হয়। তমোপ্ৰধান সৃষ্টিত আনন্দ ক'ৰ পৰা আহিল? সত্যযুগৰ জ্ঞানতো কাৰোৱেই নাই, সেয়েহে বেচেৰাসকলে ইয়াত আনন্দোৎসৱ পালন কৰি থাকে। চোৱা, বৰদিনৰ আনন্দও কিমান পালন কৰে। বাবাইতো কয় যে যদি আনন্দৰ কথা সুধিব বিচৰা তেন্তে গোপ-গোপীসকলক (মোৰ সন্তানসকলক) সোধা কিয়নো পিতাই বহুত সহজ মাৰ্গ দেখুৱাই আছে। গৃহস্থালিত থাকি, নিজৰ পেছাগত কাম-কাজ কৰি পদুম ফুলৰ সমান হৈ থাকা আৰু মোক স্মৰণ কৰা। যেনেকৈ প্ৰিয়তমা-প্ৰিয়তম থাকে নহয়, তেওঁলোকেও পেছাগত কাম-কাজ কৰি থাকি ইজনে-সিজনক স্মৰণ কৰি থাকে। তেওঁলোকৰ সাক্ষাৎকাৰো হয় যেনেকৈ ‘লেলা-মজনু’, ‘হীৰা-ৰাঞ্ঝা’, তেওঁলোক বিকাৰৰ কাৰণে ইজন-সিজনৰ প্ৰেমাস্পদ নহয়। তেওঁলোকৰ প্ৰেমৰ গায়ন কৰা হৈছে। তাত ইজন-সিজনৰ প্ৰেমাস্পদ হয়। কিন্তু ইয়াত সেইটো কথা নাই। ইয়াততো তোমালোক জন্ম-জন্মান্তৰ সেইজন প্ৰেমিকৰ প্ৰেমিকা হৈ আছা। সেইজন প্ৰেমিক তোমালোকৰ প্ৰেমিকা নহয়। তোমালোকে তেওঁক ইয়ালৈ আহিবলৈ আহ্বান জনোৱা, হে ভগৱান আহি নয়নহীনক মাৰ্গ-দৰ্শন কৰক। তোমালোকে আধাকল্প মাতিছা। যেতিয়া দুখ বেছি হয় তেতিয়া বেছিকৈ মাতে। বেছি দুখত বেছিকৈ স্মৰণ কৰোঁতাও থাকে। চোৱা, এতিয়া স্মৰণ কৰোঁতা কিমান অনেক আছে। গায়ন কৰা হৈছে নহয় - দুখত সকলোৱে স্মৰণ কৰে.... যিমান দেৰি হৈ গৈ থাকে, সিমান বেছি তমোপ্ৰধান হৈ গৈ থাকে। গতিকে তোমালোকে আৰোহণ কৰি আছা, তেওঁলোক আৰু বেছিকৈহে অৱৰোহণ কৰি আছে কিয়নো যেতিয়ালৈকে বিনাশ নহয় তেতিয়ালৈকে তমোপ্ৰধানতা বৃদ্ধি হৈ গৈ থাকিব। দিনে-প্ৰতিদিনে মায়াও তমোপ্ৰধান, বৃদ্ধি হৈ গৈ থাকে। এই সময়ত পিতাও সৰ্বশক্তিমান সেইদৰে মায়াও এই সময়ত সৰ্বশক্তিমান হয়। মায়াও শক্তিশালী হয়।

তোমালোক সন্তানসকল এই সময়ত ব্ৰহ্মা মুখ বংশাৱলী ব্ৰাহ্মণ কুলভূষণ হোৱা। তোমালোকৰ হৈছে সৰ্বোত্তম কুল, ইয়াক উচ্চতকৈও উচ্চ কুল বুলি কোৱা হয়। এই সময়ত তোমালোকৰ এই জীৱন অমূল্য সেয়েহে এইটো জীৱনৰ (শৰীৰৰ) তত্বাৱধানো লোৱা উচিত কিয়নো 5 বিকাৰৰ কাৰণে শৰীৰৰো আয়ুস কমি গৈ থাকে নহয়। সেয়েহে বাবাই কয় - এই সময়ত 5 বিকাৰ ত্যাগ কৰি যোগযুক্ত হৈ থাকা তেতিয়া আয়ুস বৃদ্ধি হৈ গৈ থাকিব। আয়ুস বাঢ়ি বাঢ়ি ভৱিষ্যতলৈ

তোমালোকৰ আয়ুস 150 বছৰ হৈ যাব। এতিয়া নহয় সেয়েহে পিতাই কয় যে এই শৰীৰৰো বহুত তত্বাৱধান ল'ব লাগে। নহ'লেতো কয় এই শৰীৰ কামৰ নহয়, মাটিৰ পুতলা। এতিয়া তোমালোক সন্তানসকলে বোধশক্তি পোৱা যে যেতিয়ালৈকে জীয়াই থাকিম পিতাক স্মৰণ কৰি থাকিব লাগে। আত্মাই বাবাক স্মৰণ কৰে - কিয়? উত্তৰাধিকাৰৰ কাৰণে। পিতাই কয় - তোমালোকে নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা আৰু দৈৱীগুণ ধাৰণ কৰা তেতিয়া তোমালোক পুনৰ এনেকুৱা হৈ যাবা। গতিকে সন্তানসকলে পাঠ ভালদৰে পঢ়িব লাগে। পঢ়াত এলাহ আদি কৰিব নালাগে নহ'লে অনুত্তীৰ্ণ হৈ যাবা। বহুত কম পদ পাবা। পঢ়াৰ ক্ষেত্ৰতো মুখ্য কথা এইটো যাক সাৰ বুলি কোৱা হয় যে পিতাক স্মৰণ কৰা। যেতিয়া প্ৰদৰ্শনী বা সেৱাকেন্দ্ৰলৈ কোনোবা আহে তেতিয়া তেওঁক পোন-প্ৰথমে এইটো বুজোৱা যে বাবাক স্মৰণ কৰক কিয়নো তেওঁ উচ্চতকৈও উচ্চ। গতিকে উচ্চতকৈও উচ্চজনকহে স্মৰণ কৰিব লাগে, তেওঁতকৈ তলৰসকলক স্মৰণ কৰিব লাগে জানো। কোৱা হয় উচ্চতকৈও উচ্চ ভগৱান। ভগৱানেইতো নতুন সৃষ্টি স্থাপনা কৰোঁতা হয়। চোৱা, পিতায়ো কয় - নতুন সৃষ্টি স্থাপনা মই কৰোঁ সেয়েহে তোমালোকে মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ পাপ খণ্ডন হৈ যাব। গতিকে এইটো দৃঢ়ভাৱে স্মৃতিত ৰাখা কিয়নো পিতা পতিত-পাৱন হয় নহয়। তেওঁ এইটোৱেই কয় যে যিহেতু তোমালোকে মোক পতিত-পাৱন বুলি কোৱা তেন্তে তোমালোক তমোপ্ৰধান, বহুত পতিত, এতিয়া তোমালোক পাৱন হোৱা।

পিতা আহি সন্তানসকলক বুজায় যে তোমালোকৰ এতিয়া সুখৰ দিন আহিব, দুখৰ দিন পূৰা হ'ল, আহ্বানো জনোৱা – হে দুখহৰ্তা, সুখদাতা। গতিকে এইটোতো জানা নহয় যে যথাযথ সত্যযুগত সকলো সুখীয়েই সুখী। সেয়েহে পিতাই সন্তানসকলক কয় যে সকলোৱে শান্তিধাম আৰু সুখধামক স্মৰণ কৰি থাকা। এয়া হ'ল সংগমযুগ, নাৱৰীয়াই তোমালোকক পাৰলৈ লৈ যায়। বাকী ইয়াত কোনো নাৱৰীয়া বা নাওৰ কথা নাই। এনেকৈতো মহিমা কৰি দিয়ে যে নাও পাৰ কৰি দিয়া। এতিয়া এখনেই নাওতো পাৰ হৈ নাযায়। গোটেই সৃষ্টিৰ নাও পাৰ কৰাব লাগে। এই গোটেই সৃষ্টিখন যেন এক বহুত ডাঙৰ জাহাজ ইয়াক পাৰলৈ লৈ যায়। গতিকে তোমালোক সন্তানসকলে বহুত আনন্দোৎসৱ কৰিব লাগে কিয়নো তোমালোকৰ কাৰণে সদায় আনন্দ, সদায় বৰদিন। যেতিয়াৰ পৰা তোমালোক সন্তানসকলে পিতাক পাইছা তোমালোকৰ বাবে সদায় বৰদিন সেইবাবে অতীন্দ্ৰিয় সুখৰ গায়ন কৰা হৈছে। চোৱা, এওঁলোক সদায় আনন্দিত হৈ থাকে, কিয়? হেৰ', বেহদৰ পিতাক পালোঁ! তেওঁ আমাক পঢ়াই আছে। গতিকে নিতৌ এই আনন্দ থকা উচিত নহয় জানো। বেহদৰ পিতাই পঢ়াই আছে বাঃ! কেতিয়াবা কোনোবাই শুনিছানে? 'গীতা'তো ভগৱানুবাচ আছে যে মই তোমালোকক ৰাজযোগ শিকাওঁ, যেনেকৈ তেওঁলোকে বেৰিষ্টাৰ হোৱাৰ যোগ, ছাৰ্জন হোৱাৰ যোগ শিকায়, মই তোমালোক আত্মিক সন্তানসকলক ৰাজযোগ শিকাওঁ। তোমালোক ইয়ালৈ আহা গতিকে যথাযথ ৰাজযোগ শিকিবলৈ আহা নহয়। বিবুদ্ধিত পৰাৰ দৰকাৰ নাই। গতিকে ৰাজযোগ শিকি পূৰা কৰিব লাগে নহয়। আঁতৰি গুচিতো যাব নালাগে। পঢ়িবও লাগে আৰু ধাৰণো ভালদৰে কৰিব লাগে। শিক্ষকে ধাৰণ কৰিবৰ কাৰণে পঢ়ায়।

প্ৰত্যেকৰে নিজৰ নিজৰ বুদ্ধি আছে - কাৰোবাৰ উত্তম, কাৰোবাৰ মধ্যম, কাৰোবাৰ কনিষ্ঠ। গতিকে নিজক সুধিব লাগে যে মই উত্তম, মধ্যম নে কনিষ্ঠ? নিজক নিজে পৰীক্ষা কৰিব লাগে যে মই উচ্চতকৈও উচ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ পদ পোৱাৰ যোগ্য হওঁনে? মই সেৱা কৰোঁনে? পিতাই কয় - সন্তানসকল, সেৱাধাৰী হোৱা, বাবাক অনুসৰণ কৰা কিয়নো ময়োতো সেৱা কৰোঁ নহয়। সেৱা কৰিবলৈয়ে আহিছোঁ আৰু নিতৌ সেৱা কৰোঁ কিয়নো ৰথোতো লৈছোঁ নহয়। ৰথো শক্তিশালী, ভাল আৰু সেৱাতো তেওঁৰ সদায় আছে। বাপাদাদাতো তেওঁৰ ৰথত সদায় আছে। তেওঁৰ শৰীৰ বেমাৰত পৰিলেও, মইতো বহি আছোঁ নহয়। সেয়েহে মই এওঁৰ ভিতৰত বহি লৈ লিখোঁ, যদি তেওঁ মুখেৰে ক'বও নোৱাৰে তেতিয়া মই লিখিব পাৰোঁ। মুৰুলী খতি নহয়। যেতিয়ালৈকে বহিব পাৰে, লিখিব পাৰে, তেতিয়া মই মুৰুলীও শুনাওঁ, সন্তানসকলক লিখি পঠিয়াই দিওঁ কিয়নো সেৱাধাৰী হওঁ নহয়। সেয়েহে পিতা আহি বুজায় যে তোমালোকে নিজক আত্মা বুলি বুজি নিশ্চয় বুদ্ধিৰ হৈ সেৱাত লাগি যোৱা। পিতাৰ সেৱা, ঈশ্বৰ পিতাৰ সেৱাত, যেনেকৈ তেওঁলোকে লিখে - মহাৰজাৰ সেৱাত। তেন্তে তোমালোকে কি ক'বা? এয়া মহাৰজাতকৈও উচ্চ সেৱা কিয়নো সম্ৰাট কৰি তোলে। এয়াও তোমালোকে বুজিব পাৰা যে যথাযথ আমি বিশ্বৰ মালিক হৈ যাওঁ।

তোমালোক সন্তানসকলৰ ভিতৰত যিসকলে ভালদৰে পুৰুষাৰ্থ কৰে তেওঁলোকক মহাবীৰ বুলি কোৱা হয়। গতিকে এইটোও পৰীক্ষা কৰিবলগীয়া হয় যে কোন মহাবীৰ হয় যিসকল বাবাৰ নিৰ্দেশনা মতে চলে। পিতাই বুজায় যে সন্তানসকল নিজক আত্মা বুলি বুজা, ভাই ভাইক চোৱা। পিতাই নিজক ভাইসকলৰ পিতা বুলি ভাবে আৰু ভাইসকলকে চায়। সকলোকেতো নাচাব। এয়াতো হৈছে জ্ঞান যে শৰীৰ অবিহনেতো কোনেও শুনিব নোৱাৰে, ক'ব নোৱাৰে। তোমালোকেতো জানা নহয় যে ময়ো ইয়াত শৰীৰত আহিছোঁ। মই এই শৰীৰ ঋণত লৈছোঁ। শৰীৰতো সকলোৰে আছে,

শৰীৰৰ লগতে আত্মাই ইয়াত পঢ়ি আছে। গতিকে এতিয়া আত্মাসকলক বুজাব লাগে যে বাবাই আমাক পঢ়াই আছে। বাবাৰ বৈঠক ক'ত? অকাল সিংহাসনত বা আসনত। বাবাই বুজাইছে যে প্ৰত্যেক আত্মা অকাল মূৰ্ত, আত্মা কেতিয়াও বিনাশ নহয়, কেতিয়াও নজ্বলে, কাটিব নোৱাৰি, নুডুবে। সৰু-ডাঙৰ নহয়। শৰীৰ সৰু-ডাঙৰ হয়। গতিকে জগতত যি মনুষ্য মাত্ৰ আছে, তেওঁলোকৰ মাজত যিসকল আত্মা আছে সেই আত্মাসকলৰ আসন হৈছে এই ভ্ৰুকুটি। শৰীৰ ভিন্ন ভিন্ন। কাৰোবাৰ অকাল আসন পুৰুষৰ, কাৰোবাৰ স্ত্ৰীৰ, কাৰোবাৰ শিশুৰ। গতিকে যেতিয়া কাৰোবাৰ লগত কথা পাতা তেতিয়া এইটোৱে বুজিবা যে মই আত্মা, নিজৰ ভাই লগত কথা পাতিছোঁ। পিতাৰ বাৰ্তা দিওঁ যে শিৱবাবাক স্মৰণ কৰক তেতিয়া এয়া যি মামৰ (বিকাৰৰ লেপ) লাগি আছে সেয়া আঁতৰি যাব। যেনেকৈ সোণত খাদ মিহলি হ'লে তেতিয়া তাৰ মূল্য কম হৈ যায় তেনেকৈ তোমালোকৰো মূল্য কম হৈ গৈছে। এতিয়া একেবাৰেই মূল্যহীন হৈ গৈছা। ইয়াকে দেউলীয়া হোৱা বুলিও কোৱা হয়। ভাৰত কিমান ধনৱান আছিল, এতিয়া ঋণ লৈ থাকে। বিনাশততো সকলোৰে পইচা শেষ হৈ যাব। দিওঁতা, লওঁতা সকলো নাশ হৈ যাব বাকী যিসকল অবিনাশী জ্ঞান ৰত্ন লওঁতা আছে তেওঁলোক পুনৰ আহি নিজৰ ভাগ্য ল'ব। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাক অনুসৰণ কৰি বাবাৰ সমান সেৱাধাৰী হ'ব লাগে। নিজক নিজেই পৰীক্ষা কৰিব লাগে যে মই উচ্চতকৈও উচ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ পদ পোৱাৰ যোগ্য হওঁনে?

(2) পিতাৰ নিৰ্দেশনা মতে চলি মহাবীৰ হ'ব লাগে, যেনেকৈ বাবাই আত্মাসকলক চায়, আত্মাসকলক পঢ়ায়, তেনেকৈ আত্মা ভাই ভাইক চাই বাৰ্তালাপ কৰিব লাগে।

বৰদান: শ্ৰেষ্ঠতাৰ আধাৰত সমীপতাৰ দ্বাৰা কল্পৰ শ্ৰেষ্ঠ প্ৰালব্ধ গঢ়োঁতা বিশেষ ভূমিকা পালন কৰোঁতা হোৱা

এই জীৱন্তে মৃত জীৱনত শ্ৰেষ্ঠতাৰ আধাৰ হৈছে দুটা কথা – 1) সদায় পৰোপকাৰী হৈ থকা। 2) বাল ব্ৰহ্মচাৰী হৈ থকা। যিসকল সন্তান এই দুটা কথাত আদিৰ পৰা অন্তলৈকে অখণ্ড হৈ থাকে, কোনো ধৰণৰ পৱিত্ৰতা অৰ্থাৎ স্বচ্ছতা বাৰে বাৰে খণ্ডিত হোৱা নাই তথা বিশ্বৰ প্ৰতি আৰু ব্ৰাহ্মণ পৰিয়ালৰ প্ৰতি যিসকল সদায় উপকাৰী এনেকুৱা বিশেষ ভূমিকা পালন কৰোঁতাসকল সদায় বাপদাদাৰ সমীপত থাকে আৰু তেওঁলোকৰ প্ৰালব্ধ গোটেই কল্পৰ কাৰণে শ্ৰেষ্ঠ হৈ যায়।

শ্লোগান: সংকল্প ব্যৰ্থ হ'লে অন্য সকলো সম্পদো ব্যৰ্থ হৈ যায়।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত: এতিয়া সম্পন্ন তথা কৰ্মাতীত হোৱাত মনোনিবেশ কৰা

কৰ্মাতীত স্থিতিৰ অনুভৱ কৰিবলৈ জ্ঞান শুনা আৰু শুনোৱাৰ লগতে এতিয়া পিতা ব্ৰহ্মাৰ সমান অনাসক্ত অশৰীৰী হোৱাৰ অভ্যাসৰ ওপৰত বিশেষ মনোযোগ দিয়া। যেনেকৈ পিতা ব্ৰহ্মাই সাকাৰ জীৱনত কৰ্মাতীত হোৱাৰ পূৰ্বে অনাসক্ত আৰু স্নেহী হৈ থকাৰ অভ্যাসৰ অনুভৱ প্ৰত্যক্ষ ৰূপত কৰালে, সেৱা বা কোনো কৰ্ম ত্যাগ নকৰিলে কিন্তু অনাসক্ত হৈ অন্তিম দিনাও সন্তানসকলৰ সেৱা সমাপ্ত কৰিলে, তেনেকৈ পিতাক অনুসৰণ কৰা।